# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2024
**Time :** 1600 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ দ্ৰুত বিকাশৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে ঔদ্যোগিক তন্ত্ৰ গঢ়ি তোলাৰ লগতে কেইবাটাও উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যোৰহাটত প্ৰকাশ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২ টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰে। মেলেং মেটেলীত আয়োজিত বিশেষ অনুষ্ঠানত ১৫ হাজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষ ৭টা প্ৰকল্পৰ উদ্বোধন আৰু দুহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি তেওঁ এখন জনসভাত অংশ লয়। প্ৰধানমন্ত্ৰীয়ে মুঠ ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ৫ লাখ ৫৫ হাজাৰ ৫৫৫টা আবাসগৃহত আনুষ্ঠানিকভাৱে গৃহপ্ৰৱেশ মুকলি কৰে। জনতাক সম্বোধন কৰি তেওঁ কয় যে, বিজেপি চৰকাৰৰ দিনত পাঁচ লক্ষাধিক লোকক চৰকাৰী ঘৰ প্ৰদান কৰাৰ লগতে আঢ়ৈ লাখ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰা হৈছে। ভাষণত দেশৰ অন্যান্য ৰাজ্যসমূহৰ বিকাশৰ বাবে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ উন্নয়ন সাধন কৰাটো জৰুৰী বুলি তেওঁ কয়। একেটা অনুষ্ঠানতে তেওঁ স্বাস্থ্য প্ৰকল্পৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় মুকলি কৰাৰ লগতে ডিমৌত ১০০খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ আৰু হাতী ছাফাৰী কৰি উদ্যানখনৰ নৈসৰ্গিক শোভা উপভোগ কৰে। ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বন বিভাগৰ ৩৬ গৰাকী মহিলা বনকৰ্মীৰ সৈতে বাৰ্তালাপ কৰে। কাজিৰঙাক স্বৰ্গৰ সৈতে তুলনা কৰি তেওঁ কয় যে, বিজেপি শাসনলৈ অহাৰ পিছত ৰাজ্যত গঁড় হত্যা বন্ধ হৈছে।

কাজিৰঙাৰ পৰা প্ৰধানমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ ৰাওনা হয়। তাত তেওঁ বিকশিত ভাৰত, বিকশিত উত্তৰ-পূব শীৰ্ষক অনুষ্ঠানত ভাগ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত ছেলা সুৰংগ ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰাৰ লগতে প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নতি আঁচনিৰ শুভাৰম্ভ কৰে।

অৰুণাচলৰ প্ৰদেশৰ পৰা উভতি আহি প্ৰধানমন্ত্ৰীগৰাকীয়ে দুপৰীয়া যোৰহাটৰ হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

০০০০০

প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ পৰা ভাৰ্চুৱেলী শিৱসাগৰ জিলাৰ ডিমৌৰ ইকৰাণিত নিৰ্মাণ হবলগীয়া চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে ইকৰাণিত আয়োজন কৰা শিলান্যাস অনুষ্ঠানত জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই থাওৰা সমষ্টিৰ উপ নিৰ্বাচনৰ সময়ত এই চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ বিষয়ে ঘোষণা কৰিছিল। ৫০০ কোটি টকা প্ৰকল্প নিৰ্ধাৰণ কৰা ১০০ খন আসনযুক্ত এই চিকিৎসা মহাবিদ্যালয় হাস্পতালখন ৩৪১ একৰ ভূমিত গঢ়ি তোলা হ'ব।

ইফালে প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ  মুঠ ৫ লাখ ৫৫ হাজাৰ ৫৫৫ গৰাকী হিতাধিকাৰীৰ গৃহপ্ৰৱেশ ভাৰ্চুৱেলী সম্পন্ন কৰে। এই উপলক্ষে মৰিগাওঁ পবিতৰা হাট ভৱনত প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ পোনপতীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মা, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন কোঁৱৰৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। চিৰাং জিলাতো আজি এই অনুষ্ঠানৰ পোনপতীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ চিদলী বড়োবজাৰ, আৰু মানিকপুৰ উন্নয়ন খণ্ডৰ গ্ৰামাঞ্চলৰ মুঠ ১৯ হাজাৰ ৭৩৭ টা নতুন গৃহ এই কাৰ্যসূচীৰ জৰিয়তে মুকলি কৰা হয়। জিলাখনৰ গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালকে প্ৰকাশ কৰা মতে, ২০২৩ বৰ্ষৰ ২৩ জুলাইত এই গৃহ নিৰ্মাণ আৰম্ভ  হৈ যোৱা ৫ মাৰ্চ পৰ্যন্ত সম্পূৰ্ণ হোৱা ১৯ হাজাৰ ৭৩৭ টা গৃহ মুকলি কৰা হৈছে। জিলাখনত কমেও ১৫ হাজাৰ গৃহ হিতাধিকাৰীৰ বাবে নিৰ্মাণ কৰি থকা হৈছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্বি আংলঙৰ ডিফু আৰৰ্ত ভৱনত আজি **নিৰ্বাচনী আচৰণ বিধি** শীৰ্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত দেশৰ পৰম্পৰাগত লোকসভা নিৰ্বাচনৰ আচৰণ বিধিৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিভাগীয় মুৰব্বী বিষয়াসকলক নিৰ্বাচনী প্ৰচাৰ, ব্যয় খৰচ, ভোটগ্ৰহণৰ সময়ত মানিবলগীয়া আচৰণ বিধি, আইনৰ অৱস্থিতি, তাৰকা প্ৰচাৰক, ৰাজনৈতিক দলৰ পতাকাৰ ব্যৱহাৰ সম্পৰ্কে সভাত অংশ লোৱা বিশিষ্ট ব্যক্তিসকলে অৱগত কৰে। প্ৰশিক্ষণত কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ বিভিন্ন বিভাগৰ মুৰব্বী, বিষয়াসকলক উপস্থিত থাকে।

একেদৰে কৰিমগঞ্জ জিলাৰ শ্ৰীমন্ত কনিশাইলত আসন্ন লোকসভা নিৰ্বাচন সন্দৰ্ভত মণ্ডলভিত্তিক আলোচনা সভা অনুষ্ঠিত হয়। সাংসদ কৃপানাথ মল্লাই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লবলৈ ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি হাইলাকান্দিত উপস্থিত হয়। জিলাখনত কেইবাটাও ভোটকেন্দ্ৰ চৰজমিন পৰ্যবেক্ষণ কৰাৰ পাছত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশ লয়। এই সভাত তেওঁ জিলাখনৰ বিষয়াসকলৰ সৈতে নিৰ্বাচনৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। জিলাখনৰ ভোটদানৰ হাৰ বৃদ্ধি সম্পৰ্কতো সভাত আলোচনা কৰা হয়। সভাখনত জিলাৰ আয়ুক্ত এন এইচ গৌতম, আৰক্ষী অধীক্ষক লীনা দলৈৰ লগতে ভালে সংখ্যক বিষয়া কৰ্মচাৰী উপস্থিত আছিল। উল্লেখযোগ্য যে কৰিমগঞ্জ লোকসভা সমষ্টিৰ অন্তৰ্গত হাইলাকান্দি জিলাৰ ৬০২ টা ভোটকেন্দ্ৰত প্ৰায় চাৰে চাৰি লাখ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

০০০০০

সমাপ্ত